RAJABALA DAS LIBRARY
No..................
Date..................
Handique Girls' College, Guwahati

# স্মৃতিগ্ৰন্থ

## ৰাজবালা দাস জন্ম শতবাৰ্ষিকী সমাৰোহ ১৯৯২



## RAJBALA DAS BIRTH CENTENARY CELEBRATION

## 1992

## SOUVENIR

মুখ্যমন্ত্ৰী অসম



# শুভেচ্ছা বাণী

গুৱাহাটীৰ সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপিকা অধ্যক্ষা স্বৰ্গীয়া ৰাজবালা দাসৰ জন্ম বাৰ্ষিকী পালন কৰিবলৈ আয়োজন কৰাৰ লগতে এখনি স্মৃতিগ্ৰন্থও প্ৰকাশৰ দিহা কৰা হৈছে বুলি জানিবলৈ পাই মই পৰম আনন্দিত হৈছো। অসমত নাৰীৰ বাবে উচ্চ শিক্ষাৰ বাটকটীয়া আৰু সমাজত নাৰীৰ মৰ্য্যদা প্ৰতিষ্ঠাৰ বাবে আজীৱন সেৱিকা স্বৰ্গীয়া ৰাজবালা দাসক দৰাচলতে অসমত নাৰী মুক্তি আৰু সমাজ উত্তৰণৰ এগৰাকী পথ প্ৰদৰ্শিকা বুলিব পাৰি। যি মনোবল, কঠোৰ শ্ৰম আৰু দক্ষতাৰে তেখেতে সন্দিকৈ ছোৱালী মহাবিদ্যালয়ক এখনি লেখত লবলগীয়া স্ত্ৰী শিক্ষাৰ অনুষ্ঠান ৰূপে গঢ়ি থৈ গ'ল, সেয়া সঁচাকৈয়ে অতুলনীয়। সেই আদৰ্শই সমগ্ৰ অসমতে স্ত্ৰী শিক্ষাৰ প্ৰসাৰ আৰু নাৰীৰ সামাজিক মৰ্য্যাদাকো উন্নীত কৰাত বিশেষ প্ৰেৰণা যোগাই গৈছে। স্বৰ্গীয়া দাসৰ সেই আদৰ্শ সৱোগত কৰি আজিৰ যুগৰ ছাত্ৰী সকলেও নিজৰ নিজৰ জীৱনক গঢ় দিবলৈ আৰু সমাজৰ উত্তৰণৰ প্ৰচেষ্টাত অৰিহণা যোগাবলৈ যত্নপৰ হব বুলি মই আশা কৰিলো। ৰাজবালা দাসৰ জন্ম শতবাৰ্ষিকী পালনে আমাৰ সমাজক সেই প্ৰেৰণাৰে উদ্বুদ্ধ কৰক। মই স্বৰ্গীয়া দাসৰ জন্ম শতবাৰ্ষিকী পালন কাৰ্য্যসূচীৰ সৰ্ব্বতোপ্ৰকাৰ সফলতা কামনা কৰি আন্তৰিক শুভেচ্ছা আগ বঢ়ালো।

স্বাক্ষৰ/-

শ্ৰী হিতেশ্বৰ শইকীয়া

দিশপুৰ,

২১ ছেপ্টেম্বৰ '৯২



ডাঃ ভূমিধৰ বৰ্মন
শিক্ষা মন্ত্ৰী,
অসম, দিশপুৰ।

# শুভেচ্ছা বাণী

সন্দিকৈ ছোৱালী মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষা স্বৰ্গীয় ৰাজবালা দাসৰ জন্ম শতবাৰ্ষিকী উৎসৱ এইবাৰ পালন কৰিবলৈ ওলোৱাটো মহাবিদ্যালয় খনৰ গৌৰৱৰ বিষয়। কিয়নো স্বৰ্গীয় ৰাজবালা দাসৰ লেখিয়া একনিষ্ঠ কৰ্ম্মীৰ বাবেই অসমৰ মধ্যভূমি স্বৰূপ গুৱাহাটীত এই ছোৱালী মহাবিদ্যালয়খনে প্ৰতিষ্ঠা লাভ কৰিবলৈ সমৰ্থ হৈছে। শৈক্ষিক দিশত সন্দিকৈ ছোৱালী মহাবিদ্যালয় খনে আজি বিশেষ স্থান লাভ কৰিছে। প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাসৰ জন্ম শতবাৰ্ষিকী উৎসৱৰ সৈতে সঙ্গতি ৰাখি এখন স্মৰণিকা প্ৰকাশ কৰা হব বুলি জানিব পাৰি মই আনন্দিত হৈছো। আশা কৰিছো, স্মৰণিকা খনত প্ৰতিষ্ঠাপক অধ্যক্ষা ৰাজবালা দাসে শিক্ষানুষ্ঠান খনৰ ক্ষেত্ৰত কৰা অক্লান্ত সেৱাৰ পূৰ্ণ প্ৰতিফলন হব।

( ডাঃ ভূমিধৰ বৰ্মন )

# স্মৃতিগ্ৰন্থ

## ৰাজবালা দাস জন্ম শতবাৰ্ষিকী সমাৰোহ ১৯৯২

সন্দিকৈ ছোৱালী কলেজ

গুৱাহাটী

উদ্বোধনী সমাৰোহ

২৩ চেপ্তেম্বৰ ১৯৯২

সম্পাদনা সমিতি

ড° ৰত্নকান্ত বৰুৱা, সভাপতি
শ্ৰীমতী প্ৰীতি বৰুৱা
ড° অঞ্জলি শৰ্মা
শ্ৰীমতী জাহানাৰা বেগম
শ্ৰীবসন্ত ডেকা
শ্ৰীসতীশ ভট্টাচাৰ্য্য
ড° মঞ্জুমালা দাস, আহ্বায়িকা

# সূচীপত্র

৫ আগকথা
অধ্যক্ষৰ আদৰণি ৭ ড° ৰত্নকান্ত বৰুৱা
ৰাজবালা দাস-জীৱন আলেখ্য ৯ ড° মঞ্জুমালা দাস
ৰাজবালা বৰমালৈ শ্ৰদ্ধাৰ অঞ্জলি ১২ বিপিন পাল দাস
ৰাজবালা দাসৰ জন্ম শতবাৰ্ষিকী উপলক্ষে ১৫ অজিত কুমাৰ শৰ্মা
শ্ৰদ্ধাঞ্জলি: ৰাজবালা দাসলৈ ৩০ হিৰন্ময়ী দেৱী
ৰাজবালা দাসৰ প্ৰতি ১৪ শুচিব্ৰতা ৰায় চৌধুৰী
ৰাজবালা দাসৰ সান্নিধ্যত ১৫ ড° ৰেণু গোস্বামী
ড° অঞ্জলি শৰ্মা
ৰঞ্জনা চৌধুৰী
চেনেহী বেগম
যতীন বৰুৱা
জাহানাৰা শইকীয়া
সৰযু দাস
প্ৰীতি বৰুৱা
শ্ৰদ্ধেয়া শাহু আইক মই কিদৰে জানিছিলো ২৫ অমিয়াজ্যোতি দাস
ৰাজবালা, ৰাজ-বালা তুমি ২৭ ড° হৰি চন্দ্ৰ ভট্টাচাৰ্য্য
পৰম শ্ৰদ্ধাৰে ২৯ সুনীতি সেন
Looking Back ৩১ Satya kinkar Sen
বৰ্তমান সমাজত শিক্ষাৰ সমস্যা ৩৩ অধ্যক্ষা ৰাজবালা দাস
স্মৃতিৰ পটৰ পৰা ৩৫ নীলিমা দত্ত
বাইদেউৰ সোঁৱৰণ ৩৭ আমেদা ৰছুল
সন্দিকৈ কলেজৰ বিজ্ঞান শাখাৰ আদিছোৱা ৩৮ সমীৰণ দাস



রাজবালা দাস

# আগকথা

শিক্ষাৰ ক্ষেত্ৰত অসম পৰম্পৰাগতভাৱেই পিছপৰা ; নাৰী শিক্ষাৰ ক্ষেত্ৰততো আৰু বেচি। অসমত কেৱল ছোৱালীৰ বাবে প্ৰাথমিক বিদ্যালয় এখন স্থাপিত হৈছিল ১৮৩৯ চনত। তাৰ পাছত ছোৱালীৰ বাবে আচুতীয়া কলেজ এখন স্থাপিত হ'বলৈ সম্পূৰ্ণ এশ বছৰ লাগিছিল। ১৯৩৯ চনত কেৱল ছোৱালীৰ বাবে বৰ্তমানৰ সন্দিকৈ ছোৱালী কলেজ গুৱাহাটী ছোৱালী কলেজ নামেৰে আৰম্ভ হয়। এই প্ৰাথমিকৰপৰা বিশ্ববিদ্যালয় পৰ্য্যায়লৈ এশ বছৰৰ যাত্ৰা যে সুগম নাছিল, যাত্ৰাৰ দৈৰ্ঘ্যই সেইটো প্ৰমাণ কৰে। সেই সময়ৰ নাৰী শিক্ষাৰ ক্ষেত্ৰত সমাজৰ প্ৰতিকূল অৱস্থা আৰু জটিল পৰিস্থিতিতো ৰাজবালা দাসে নাৰী শিক্ষাৰ বাবে সাহসেৰে ওলাই আহিছিল। এই ক্ষেত্ৰত তেখেতৰ সবল আৰু দৃঢ় পদক্ষেপেৰ ফল হ'ল আজিৰ এই সন্দিকৈ কলেজ। এজনী দুজনী ছাত্ৰীৰে কেৱল কলা শাখাত আৰম্ভ কৰা সন্দিকৈ ছোৱালী কলেজখনিয়ে এতিয়া কলা শাখা আৰু বিজ্ঞান শাখাৰে এক বিশাল মহীৰূহলৈ ৰূপান্তৰিত হৈছে, তেখেতে যি স্বপ্ন আৰু আশাৰে এই কলেজ স্থাপন কৰিছিল, সেই স্বপ্ন আৰু আশা বাস্তৱত ৰূপায়িত কৰিবলৈ তেখেতে দিয়া নেতৃত্বৰকথা শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু এই জন্ম শতবাৰ্ষিকীৰ পবিত্ৰ মুহূৰ্ত্তত তেখেতৰ প্ৰতি শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছো। তেখেতৰ আশা আৰু স্বপ্নই আৰু বহল ৰূপত যাতে প্ৰকাশি উঠে তাৰ বাবে এই শতবাৰ্ষিকী উদ্‌যাপনে আমাক নিশ্চয় প্ৰেৰণা যোগাব।

সন্দিকৈ কলেজৰ তৰফৰপৰা ৰাজবালা দাসৰ স্মৃতি ৰক্ষাৰ্থে কেইটামান ব্যৱস্থাৰ কথা চিন্তা কৰা হৈছে। জন্ম শতবাৰ্ষিকীৰ বছৰটোৰ পৰা আৰম্ভ কৰি প্ৰথমে কলেজ ভিত্তিত আৰু পিচলৈ ৰাজ্যিক ভিত্তিত ৰচনা, তৰ্ক ইত্যাদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ পৰিকল্পনা আমাৰ আছে। ৰাজবালা দাসৰ স্মৃতিত এলানি বাৰ্ষিক বক্তৃতামালা আয়োজন কৰাৰ কথাও শিক্ষক গোটে আলচিছে। সেইদৰে প্ৰতিস্থাপক অধ্যক্ষা গৰাকীৰ নামেৰে কলেজৰ এটা ছাত্ৰীনিবাস নামকৰণ কৰাৰ প্ৰস্তাৱো আহিছে। কলেজ চৌহদত ৰাজবালা দাসৰ এটি প্ৰস্তৰ মূৰ্ত্তি স্থাপন কৰিবলৈকো সন্দিকৈ কলেজে আগ্ৰহ কৰে। কিন্তু ব্যয়বহুল এনে আঁচনি শিক্ষক গোট বা কলেজ কৰ্ত্তৃপক্ষই অকলে ৰূপায়ন কৰিব পৰাতো কঠিন হলেও আমাৰ বিশ্বাস অসমৰ নাৰী শিক্ষাৰ বাটকটীয়া এইগৰাকী ব্যক্তিৰ বাবে ল'ব খোজা কোনো আঁচনি কেৱল অৰ্থৰ অভাৱতে কাৰ্য্যত পৰিণত হৈ নুঠাকৈ থাকিব নোৱাৰে।

ৰাজবালা দাসৰ আদৰ্শ অসমৰ নাৰী শিক্ষাৰ চিৰকালৰ প্ৰেৰণা হওক— সেয়ে কামনা।

সতীশ ভট্টাচাৰ্য্য
সম্পাদক
ৰাজবালা দাস জন্ম শতবাৰ্ষিকী উদযাপন সমিতি
সমাৰোহ ১৯৯২
সন্দিকৈ কলেজ, গুৱাহাটী

## ৰাজবালা দাস জন্ম শতবাৰ্ষিকী উদযাপন সমাৰোহ

### উদ্বোধনী অনুষ্ঠান : ২৩ চেপ্টেম্বৰ ১৯৯২

# অধ্যক্ষৰ আদৰণি

উচ্চ শিক্ষাৰ প্ৰতি অসীম ধাউতি থকা যি কেইগৰাকী বিদুষী মহিলাই সামাজিক বহু বাধা নেওচি অসমৰ বাহিৰত উচ্চশিক্ষা লাভ কৰিছিল, সেইসকলে ব্যক্তিগত অভিজ্ঞতাৰ আধাৰত পৰৱৰ্ত্তী কালৰ আন আগ্ৰহী ছাত্ৰীসকলৰ বাবেও শিক্ষাৰ সুযোগ সুচল কৰাৰ অৰ্থে যথেষ্ট চিন্তা-চৰ্চা কৰিছিল। সেইসকলৰ ভিতৰত অগ্ৰণী আছিল ৰাজবালা দাস। গিৰিধি আৰু কলিকতাত স্কুলীয়া আৰু কলেজীয়া শিক্ষা সমাপ্ত কৰি পাণবজাৰ ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষয়িত্ৰী হৈ থকা কালছোৱাতে, কিদৰে এখন সুকীয়া ছোৱালী কলেজ পাতিব পাৰি, তাৰবাবে গভীৰভাৱে চিন্তা কৰিছিল। এই বিষয়ত তেখেতে তেখেতৰ সুযোগ্য স্বামী ডঃ জ্যোতিষ দাসৰপৰা যথেষ্ট সহায়-সহযোগিতা পাইছিল। ডক্টৰ সূৰ্য্য কুমাৰ ভূঞা দেৱেও সমানে প্ৰেৰণা যোগাইছিল।

অসমত নাৰীশিক্ষা প্ৰসাৰণৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি আৰু বিশেষকৈ গান্ধীজীয়ে আৰোপ কৰা নাৰীশিক্ষাৰ গুৰুত্বৰ পৰিপ্ৰেক্ষিতত কলিকতা বিশ্ববিদ্যালয় কৰ্তৃপক্ষয়ো অসমৰ এই সুকীয়া ছোৱালী কলেজ স্থাপনৰ প্ৰস্তাৱটো সমৰ্থন কৰি তাৰ অনুমোদনৰ বাবে অনতিবিলম্বে ১০,০০০.০০টকা জমা দিবলৈ নিৰ্দেশ দিয়ে। সেইদিনত এই পৰিমাণৰ ধন ততালিকে সংগ্ৰহ কৰাটো বৰ উজু নাছিল। ডঃ সূৰ্য্য কুমাৰ ভূঞা, ডঃ জ্যোতিষ দাস, আৰু দুগৰাকীমান গণ্যমান্য ব্যক্তি, অসমৰ প্ৰসিদ্ধ বদান্য পৰিয়ালৰ ৰায়বাহাদুৰ ৰাধাকান্ত সন্দিকৈ দেৱৰ ওচৰ চাপিল আৰু ১০,০০০.০০টকা তৎকালেই কলিকতা বিশ্ববিদ্যালয় দান হিচাপে দিবলৈ লাভ কৰিলে। মনৰ দৃঢ়তা আৰু একাগ্ৰতাৰ বলত ৰাজবালা দাসে তেখেতৰ সপোন বাস্তবায়িত কৰিলে আৰু অসমত ছাত্ৰীৰ উচ্চশিক্ষাৰ বাটকটীয়া হিচাপে নিজকে প্ৰতিষ্ঠিত কৰিলে। স্থাপিত নতুন কলেজখনৰ অধ্যক্ষাৰ গুৰুদায়িত্বও বহন কৰিছিল মমতাময়ী, প্ৰেৰণাময়ী, উজ্জ্বল ব্যক্তিত্বসম্পন্না এই গৰাকী নাৰীয়েই। বহু বাধা-বিঘিনি অতিক্ৰম কৰি মাত্ৰ চাৰিগৰাকী ছাত্ৰীৰে এই মহাবিদ্যালয়ত পাঠদান আৰম্ভ হয়। আজি সেইখন মহাবিদ্যালয়ৰ চাৰে তিনি হাজাৰ ছাত্ৰীয়ে বাণীবন্দনাৰ অৰ্ঘ লৈ সানন্দে শিক্ষা গ্ৰহণ কৰিব লাগিছে আৰু সেইগৰাকী প্ৰতিষ্ঠাপক অধ্যক্ষাৰ জন্ম শতবাৰ্ষিকী উৎসৱ উদ্‌যাপন কৰিবলৈ লৈছে। কেৱল গুৱাহাটী বিশ্ববিদ্যালয়তেই নহয়— আজি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰে এখন লেখত লবলগীয়া উচ্চ-মান সম্পন্ন মহাবিদ্যালয়ৰূপে সন্দিকৈ কলেজ পৰিগণিত।

এই কলেজৰ বহু প্ৰাক্তন ছাত্ৰীয়ে আমাৰ সমাজৰ আগশাৰীত সুপ্ৰতিষ্ঠিত হৈ কলেজৰ মুখোজ্জ্বল কৰিছে।

ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাই অহা হেতুকে আমাৰ কেতবোৰ সমস্যায়ো দেখা দিছে আৰু অচিৰে এইবোৰৰ সু-সমাধান কৰিব নোৱাৰিলে শিক্ষা প্ৰদান আৰু শিক্ষাগ্ৰহণ দুয়োটাতে বাধাৰ সৃষ্টি হ'ব।

সন্দিকৈ কলেজৰ প্ৰাণ প্ৰতিষ্ঠাতা প্ৰয়াত ৰাজবালা দাসৰ এই বছৰটো (১৯৯২) জন্ম শতবাৰ্ষিকী। এই তাৎপৰ্য্যপূৰ্ণ বছৰটো আমি ৰাজবালা দাস জন্ম শতবাৰ্ষিকী বছৰ হিচাপে উদ্‌যাপন কৰিবলৈ ওলাইছোঁ। আমি অতিশয় আনন্দিত আৰু অণুপ্ৰাণিত যে অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীহিতেশ্বৰ শইকীয়া, মাননীয় শিক্ষামন্ত্ৰী ডা: ভূমিধৰ বৰ্মণ, আমাৰ কলেজৰেই প্ৰাক্তন ছাত্ৰী আৰু বিশিষ্ট সমাজকৰ্মী ড° হেমপ্ৰভা শইকীয়া আজি আমাৰ মাজত উপস্থিত আছে। মই তেখেতসকলক সন্দিকৈ কলেজৰ সমূহ ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ হৈ আন্তৰিক আদৰণি জনাইছোঁ। আমি আশা ৰাখিছোঁ যে অসমৰ নাৰী উচ্চ শিক্ষাৰ এই প্ৰাচীনতম কলেজখন তেখেতসকলৰ স্নেহধন্যা হৈ ৰ'ব আৰু আমাৰ অভাৱ অভিযোগবোৰ উপলব্ধি কৰি সেইবোৰ নিৰাময় কৰিবলৈ উপযুক্ত বিধিব্যৱস্থা গ্ৰহণ কৰিব। আমাৰ প্ৰধান সমস্যাসমূহ হ'ল : ছাত্ৰী আবাসৰ অভাৱ আৰু শ্ৰেণীকোঠাৰ নাটনি। আমি ইতিমধ্যে মুখ্যমন্ত্ৰীদেৱক এই বিষয়ে অৱগত কৰি এখন স্মাৰক পত্ৰ দিছিলোঁ আৰু কেইবা মহলীয়া আধুনিক সা-সুবিধা থকা এটি ছাত্ৰীবাসৰ বাবে অন্ততঃ ১৫ লাখ টকা অনুদান বিচাৰিছিলোঁ। আমি আশাকৰো এই অনুদান সম্পৰ্কে এটি স্পষ্ট ঘোষণা দি আমাৰ ছাত্ৰীসকলৰ উদ্দীপনা যোগাব। এই প্ৰস্তাবিত ছাত্ৰীবাসৰ আধাৰশিলাও স্থাপন কৰিবলৈ মাননীয় মুখ্যমন্ত্ৰীদেৱে সন্মত হ'লে আমি কৃতাৰ্থ হ'ম। আমাৰ নিৰ্দ্ধাৰিত আঁচনি অনুসৰি এই ছাত্ৰীবাস চৰকাৰে নিজা তত্ত্বাৱধানতে সজাই দিলে আমি অধিক আনন্দিত হ'ম। এই কলেজ চৌহদ তেনেই ঠেক পৰিসৰৰ (মাত্ৰ চাৰি বিঘা); চৰকাৰে দহ বিঘা মাটি এই কলেজক দিছে যদিও সেই মাটি আমাক এতিয়াও চমজাই দিয়া নাই; তদুপৰি মাটিডোখৰৰ অৱস্থানো আমাৰ কলেজৰ বাবে সুবিধাজনক নহয়। সেয়ে আমি চৰকাৰৰ ওচৰত আবেদন কৰিব খোজো যে সেইডোখৰৰ পৰিৱৰ্ত্তে সুগম ঠাইত আমাক অন্য এডোখৰ মাটি দিব লাগে। আন কলেজৰ দৰে আমাৰ কলেজতো উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীৰ পাঠদানৰ ব্যৱস্থা আছে। ইতিমধ্যে আমি বিশ্ববিদ্যালয়ৰ পৰা কিছুমান বিষয়ত স্নাতকোত্তৰ শ্ৰেণী খুলিবলৈকো অনুমতি পাইছোঁ। চৰকাৰ সন্মত হলে আমি আগবাঢ়িব পাৰো। আমাৰ বোধেৰে এইখন কলেজে অকল স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীতে মনোনিবেশ কৰিব লাগে আৰু ইয়াৰপৰা উচ্চতৰ মাধ্যমিক শ্ৰেণীতো স্থানান্তৰ কৰাটো বাঞ্ছনীয়। এই বিষয়তো আমি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ। আমাৰ প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি কেইটিমান বিষয়ত শিক্ষকৰ পদ মঞ্জুৰি কৰিলে আমাৰ পাঠ অনুশীলনত সহায়ক হ'ব আৰু শিক্ষাৰ মান উন্নত কৰিব পৰা যাব।

আমাৰ দৃঢ় বিশ্বাস যে বৰ্তমান জনপ্ৰিয় চৰকাৰে আমাৰ অসুবিধাসমূহ সহানুভূতিৰে বিবেচনা কৰি তাৰ সু-সমাধানৰ বাবে যত্নপৰ হ'ব। এই কলেজখনক আদৰ্শ শিক্ষা অনুষ্ঠানৰূপে গঢ়ি তুলিবলৈ আমাৰ মনৰ যি সঙ্কল্প তাক বাস্তৱত ৰূপায়িত কৰিবলৈ সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়াব।

এইখিনি কথাৰে আমি মাননীয় অতিথিসকলক পুনৰ আদৰণি জনাইছোঁ। লগতে আমাৰ শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰী, অভিভাৱক আৰু শুভাকাঙ্খীসকলক এই কলেজৰ ভবিষ্যত গৌৰৱময় কৰি তুলিবলৈ আহ্বান জনালোঁ।

**ড° ৰত্ন কান্ত বৰুৱা**
অধ্যক্ষ, সন্দিকৈ ছোৱালী কলেজ

—০—